ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

৭ | জাতীয় শ্বহীদৰ স্মৃতিগ্ৰন্থ

সমালোচিত হ'ল গীতিকাৰ জাভেদ আখতাৰ | ১০

টংলাত ৰামধেনুৰ সন্মিলন সম্পন্ন | ৯

১২ | কাটাৰ অ'পেনত এণ্ডি মাৰে ফাইনেলত

। ২০০ সংখ্যা, ১৩ ফাগুন, দেওবাৰ, ১৯৪৪ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 200 । DIBRUGARH, SUNDAY, FEBRUARY 26, 2023 । পৃষ্ঠা ১৬ (Pages 16)

বক্তব্য প্ৰশ্ন উত্তৰ নিদি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পৰোক্ষভাৱে আদানি ব্যৱসায়ী গোষ্ঠীক বিজেপি চৰকাৰখনৰ জৰিয়তে ৰক্ষণাবেক্ষণ দিয়াত উঠি-পৰি লাগিছে।

সভাপতি বীৰেণ ভাগৱতী। শংকৰদেৱ মহাবিদ্যালয় শিক্ষাতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ স্মাৰক গ্ৰন্থ 'প্ৰজ্ঞা প্ৰপাত' উন্মোচন ... সহযোগিতা কামনা কৰিছে বিভাগৰ মুৰব্বী অধ্যাপক ড° নিতুল গগৈ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সভাপতি অম্লানদীপ হাজৰিকা আৰু সম্পাদক মানস প্ৰতিম বৰাই।

## অসম ছাত্ৰ পৰিষদৰ ডি কে ডি কলেজ গোট গঠন





জিলাৰ বাতৰি দিওঁতা

গোলাঘাট, ২৫ ফেব্ৰুৱাৰী ঃ অসম ছাত্ৰ পৰিষদ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় চমুকৈ ডি কে ডি কলেজ গোটটো ২২ ফেব্ৰুৱাৰীত গঠন কৰা হয় । এই উদ্দেশ্যে অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৪৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰে গঠিত গোটটোৰ সভাপতি হিচাপে প্ৰিয়াংশু হাজৰিকাৰ লগতে বিভিন্ন বিভাগত ছাত্ৰ-ছাত্ৰীক দায়িত্ব অৰ্পণ কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি 'উদাৰ শিল্পৰ ভৱিষ্যত' এই বিষয়ত মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়; য'ত তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱা, সম্পাদক আৰ্শিষ জ্যোতি পৰাশৰ, বিক্ৰজিৎ শইকীয়া, গোলাঘাট জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাণজিৎ ডেকা, বোকাখাত বিধান পৰিষদৰ সভাপতি পংকজ বৰাৰ লগতে এলায়েন্স বিশ্ববিদ্যালয়ৰ সহযোগী পৰিচালক ড° শৰ্মিষ্ঠা সিং বক্তা হিচাপে উপস্থিত থাকে।

## কানৈ মহাবিদ্যালয়ত কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান

নিজা বাতৰি দিওঁতা

টিংখাং, ২৫ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আই চি জি চি, ডি চি ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ উদ্যোগত আৰু বাংগালুৰুৰ চি এম আৰ বিশ্ববিদ্যালয়ৰ সহযোগত ২৩ ফেব্ৰুৱাৰীত মহাবিদ্যালয়খনৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এখন কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান অনুষ্ঠিত হয়। চি এম আৰ বিশ্ববিদ্যালয়ৰ প্ৰবীৰ পিটা জৰ্দাৰে অনুষ্ঠানটোত সমলব্যক্তি হিচাপে উপস্থিত থাকি কয়— 'একে নিশাই জীৱনত সফলতা নাহে। সফলতা লাভৰ বাবে জীৱনত বহু ধৈৰ্য, কষ্টৰ লগতে বহু ত্যাগ স্বীকাৰ কৰিবলগীয়ালগীয়া হয়। জীৱনত বহু ধৈৰ্য, কষ্টৰ লগতে বহু ত্যাগ স্বীকাৰ কৰাৰ বিনিময়ত সফলতা লাভ কৰা হয়।' উদ্দেশ্য ব্যাখ্যা কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই অনুষ্ঠানত সমল ব্যক্তি জৰ্দাৰে জীৱনত সফলতা লাভ কৰিবলৈ হ'লে নিয়মানুবৰ্তিতা, সংস্কাৰৰ খুবেই প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয় যে সফলতা লাভ কৰিবলৈ হ'লে প্ৰথমে পিতৃ-মাতৃক সন্মান কৰিব জানিব লাগিব, সমাজক ভাল পাবলৈ শিকিব লাগিব আৰু শিক্ষাগুৰুক সন্মান কৰিব জানিব লাগিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপিকা তথা ছাত্ৰী নিবাসৰ অধ্যক্ষা উৰ্মিলা ৰামছিয়াৰী, অধ্যাপক তথা আই চি জি চিৰ সমন্বয়ক ড° ভাস্কৰ দাসকে ধৰি মহাবিদ্যালয়ৰ ডি চি ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ আবাসীসকল উপস্থিত থাকে

## তৈলনগৰীত অব্যাহত আছে চোৰৰ উপদ্ৰৱ

নিজা বাতৰি দিওঁতা

দুলীয়াজান, ২৫ ফেব্ৰুৱাৰী ঃ তৈলনগৰী দুলীয়াজানত চোৰৰ তিঘিলঘিলনীত সৰ্বসাধাৰণ ৰাইজৰ নিদ্ৰা হৰণ হৈছে। আৰক্ষী আৰু অইল নিৰাপত্তাৰক্ষীৰ নাকৰ তলৰ পৰাই নিতৌ-ইটোৰ পাছত সিটো সামগ্ৰী চুৰি হ'বলৈ ধৰিছে অইল আবাসিক এলেকা আৰু অন্য স্থান সমূহত। ২৩ ফেব্ৰুৱাৰীৰ সন্ধিয়াও অইল আবাসিক এলেকাৰ এটা বাসগৃহৰপৰা এখন ৰয়েল এনফিল্ড বুলেট (৩৫০ চি চি) বাইক চুৰি হয়। ঘটনাৰ প্ৰাপ্ত খবৰ অনুসৰি সন্ধিয়া ৫-৩০ বজাত অইল আবাসিক এলেকাৰ এ টি-৬৫ নম্বৰৰ আবাসগৃহৰ চিৰিৰ তলৰপৰা অইল কৰ্মচাৰী সন্দীপ গগৈৰ এ এচ ০৬ এ বি ১৮৮২ নম্বৰৰ কলা ৰঙৰ ৰয়েল এনফিল্ড বুলেট (৩৫০ চি চি)খন চোৰে লৈ যায়। এই চুৰি সন্দৰ্ভত ঘটনাৰ পিছ মুহূৰ্তত সন্দীপ গগৈয়ে দুলীয়াজান আৰক্ষীত এজাহাৰ দাখিল কৰে।

## ...বিধায়ক ...প্ৰোনাকণ বৰুৱা